**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ ৰেচন কাৰ্ডপ্ৰাপ্ত হিতাধিকাৰীসকলে শীঘ্ৰে ৰন্ধন গেছত আঢ়ৈশ টকাকৈ ৰাজসাহায্য লাভ কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত এই কথা ঘোষণা কৰে। উজ্বলা আঁচনিৰ অধীনত ৰন্ধন গেছ্ লাভ কৰা লোকসকলেও এই আঢ়ৈশ টকাৰ ৰাজসাহায্য লাভ কৰিব। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে দৰিদ্ৰ লোকসকলৰ সহায় হোৱাকৈ বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাজ্যখনত থকা প্ৰায় ৭০ লাখ পৰিয়ালে আজি মুকলি কৰা আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ লাভ কৰিব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত জয়লাভ কৰিলে এই লোকসকলক সুলভ মূল্যত মিঠাতেল প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০

গোৱালপাৰা জিলাৰ দহিকটা বনাঞ্চলত প্ৰশাসন আৰু বন বিভাগে কালি উচ্ছেদ অভিযান চলাই এহেজাৰ ১৪০ বিঘা মাটি দখলমুক্ত কৰাৰ পাছত সেই অঞ্চলটো সংৰক্ষিত কৰি ৰখাৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিয়াৰ কাম আৰম্ভ কৰিছে। বন আৰু পৰিৱেশ বিভাগৰ দায়িত্বত থকা বিশেষ মুখ্য সচিব এম কে যাদৱৰ লগতে জিলাৰ বন সংমণ্ডল প্ৰাধিকাৰী তেজেছ্ মৰিশ্বামীয়ে আজি সেই ঠাই পৰিদৰ্শন কৰি অঞ্চলটোৰ সংৰক্ষণৰ বিষয়ে বন-বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে আলোচনাত মিলিত হয়।

**বাইট**

ইফালে জিলাখনৰ কৃষ্ণাই বনাঞ্চলিক সংমণ্ডলৰ অধীনত থকা পাইকান সংৰক্ষিত বনাঞ্চলৰ এহেজাৰ ৩৪ বিঘা ভূমিত চলোৱা উচ্ছেদৰ পিছত অঞ্চলটো বনাঞ্চললৈ ৰূপান্তৰ কৰাৰ বাবে বন বিভাগে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজি বিষয়া দুগৰাকীয়ে অঞ্চলটো পৰিদৰ্শন কৰে। বন বিভাগৰ বিষয়া কৰ্মচাৰীসকলে উচ্চেদিত এলেকাত হাতীৰ খাদ্য উপযোগী বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰিছে। এই বনাঞ্চল বেদখলমুক্ত কৰাৰ পাছতে এলেকাটোত হাতীৰ বিচৰণো আৰম্ভ হৈছে। উল্লেখযোগ্য যে যোৱা জুলাই মাহত অঞ্চলটোত উচ্ছেদ অভিযান চলোৱা হৈছিল।

০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক লৈ বিশেষ তদন্তকাৰী গোটৰ তদন্ত অব্যাহত আছে। আজিও জুবিন গাৰ্গৰ সৈতে ঘণিষ্ঠ কেইবাগৰাকী লোকৰ লগতে বৰসজাই বিহু সমিতিৰ ভাষ্যও এছ্ আই টিয়ে গ্ৰহণ কৰে। হৰেশ্বৰ মহন্ত নামৰ জুবিন গাৰ্গৰ ঘণিষ্ঠ ব্যক্তিক আজি এছ্ আই টিয়ে জেৰা চলোৱাৰ লগতে চি জি এম আদালতত তেওঁৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। পৰাগ নাথ নামৰ জুবিন গাৰ্গৰ মেনেজমেণ্ট চোৱা চিতা কৰা এগৰাকী ব্যক্তিৰো এছ্ আই টিয়ে ভাষ্য গ্ৰহণ কৰে। ২০১০ চনৰ পৰা ২০১২ চনলৈ এই ব্যক্তিগৰাকী জুবিন গাৰ্গৰ মেনেজাৰ হিচাপে আছিল।

ইফালে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা ন্যায়িক তদন্ত আয়োগত আজি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই শপতনামা আকাৰে কিছু তথ্য দাখিল কৰে। শপত নামা দাখিল কৰি লুৰিনজ্যোতি গগৈয়ে সংবাদ মাধ্যমৰ আগত কয় যে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত তেওঁলোকৰ হাতত তথ্য নাই যদিও মৃত্যুৰ ঘটনাৰ সৈতে জড়িত আৰু তদন্তকালত প্ৰয়োজন হোৱা কিছু বিষয় লিখিত আকাৰে আয়োগত দাখিল কৰা হৈছে।

০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদ অস্থায়ীভাৱে কটন বিশ্ববিদ্যালয়ৰ সমীপৰ জি এ ডি ভৱনলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আজি গুৱাহাটী উকীল সন্থাৰ উদ্যোগত অধিবক্তাসকলে প্ৰতিবাদী সমদল উলিয়ায়। পুৰণি আদালত চৌহদৰ পৰা উলিওৱা এই সমদল কটন বিশ্ববিদ্যালয়ৰ সন্মুখেৰে গৈ গুৱাহাটী উচ্চ ন্যায়ালয় হৈ পুৰণি আদালত চৌহদলৈ ঘূৰি আহে। অধিবক্তাসকলে অস্থায়ীভাৱে আদালত অন্য স্থানলৈ স্থানান্তৰৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ দাবী জনায়। আদালত স্থানান্তৰৰ বিৰোধিতাৰে কাইলৈ গুৱাহাটী উকীল সন্থাই আদালত বৰ্জন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**